**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০০০০

১। কিৰ্গিস্তানৰ বিচকেকত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থা মহিলা মঞ্চ-২০২৬ ত ভাৰতে মহিলা নেতৃত্বাধীন উন্নয়নৰ প্ৰতি নিজৰ দায়বদ্ধতা দোহাৰে।

২। আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস দেশজুৰি পালন কৰা হৈছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন কৰা হৈছে।

৪। ভাৰতত থকা জাৰ্মানীৰ ৰাষ্ট্ৰদূত ফিলিপ একাৰমেনে নৱীকৰণযোগ্য শক্তিত ভাৰত গোলকীয় নেতৃত্ব হিচাপে উদ্ভাসিত হৈ উঠিছে বুলি প্ৰকাশ কৰিছে।

আৰু

৫। ভাৰত আৰু আয়ৰলেণ্ডৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বেলফাষ্টত অনুষ্ঠিত হ'ব।

০০০০০০০০০

কিৰ্গিস্তানৰ বিচকেকত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থা মহিলা মঞ্চ-২০২৬ ত ভাৰতে মহিলা নেতৃত্বাধীন উন্নয়নৰ প্ৰতি ভাৰতে  নিজৰ দায়বদ্ধতা পুনৰ দোহাৰিছে। অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে সম্বোধন কৰি আজি  মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয়, যে মহিলাসকল কেৱল বিকাশৰ হিতাধিকাৰীয়ে নহয় ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত পূৰণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ শক্তি বুলি দোহাৰিছে। অৰ্থনৈতিক উন্নয়নত মহিলাৰ অৱদানৰ কথা উল্লেখ কৰি তেওঁ কয়, যে ১০ কোটি মহিলাক ৯ লাখৰো অধিক আত্মসহায়ক গোটত সংগঠিত কৰা হৈছে। ইয়াৰে ৩ কোটিতকৈও অধিক মহিলাক লাখপতি দিদি হৈ পৰিছে। তেওঁ কয়, যে মিছন শক্তি আৰু মিছন পোষণ ২.০ ৰ দৰে আঁচনিয়ে মহিলাৰ সুৰক্ষা যত্ন আৰু অৰ্থনৈতিক অংশগ্ৰহণক আগুৱাই লৈ গৈছে। তেওঁ কয়, যে মহিলাৰ অৰ্থনৈতিক নেতৃত্ব আৰু সমগ্ৰ অঞ্চলটোৰ কল্যাণৰ বাবে চাংহাই সহযোগিতা সংস্থাৰ সৈতে সম্বন্ধ অধিক দৃঢ় আৰু অভিজ্ঞতাসমূহ ভাগ বাটোৱাৰা কৰিবলৈ ভাৰত সাজু থকা বুলি তেওঁ দোহাৰিছে।

০০০০০০০০০

আজি আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস। মাদক দ্ৰব্যৰ অপব্যৱহাৰ ক্ৰমান্বয়ে গোলকীয় প্ৰত্যাহ্বানলৈ পৰিণত হৈছে। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'বিশ্বৰ মাদকদ্ৰব্য সমস্যাঃ নিৰন্তৰ সমস্যা, নতুন প্ৰত্যাহ্বান, উদ্ভাৱনীমূলক সমিধান'।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত এখন নিচামুক্ত ভাৰত গঢ়াৰ বাবে জনসাধাৰণৰ সমূহীয়া প্ৰচেষ্টা পুনৰ নিশ্চিত কৰিবলৈ আহ্বান জনায়। শ্ৰী ৰাধাকৃষ্ণণে মাদকদ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে সক্ৰিয়ভাৱে অভিযান চলাই থকা বিশ্ববিদ্যালয়, অন্যান্য শৈক্ষিক

প্ৰতিষ্ঠান আৰু সংস্থাসমূহৰ শলাগ লয়। এনে প্ৰতিষ্ঠানসমূহৰ প্ৰচেষ্টাই এখন শক্তিশালী, স্বাস্থ্যবান আৰু নিচামুক্ত ভাৰত গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছে বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে এইক্ষেত্ৰত সজাগতাৰ প্ৰসাৰৰ লগতে মাদকদ্ৰব্যৰ পৰা মুক্ত হোৱাত সহায় কৰা আৰু যুৱ চামক সুস্বাস্থ্য আৰু নিৰ্দিষ্ট লক্ষ্যৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ বাবে সকলোকে একত্ৰিত হ'বলৈ আহ্বান জনায়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মাদকদ্ৰব্যৰ বিৰুদ্ধে যুঁজ দি অহাসকলৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে ভাৰতে মাদকদ্ৰব্যৰ অপব্যৱহাৰৰ দৰে গোলকীয় প্ৰত্যাহ্বানৰ বিৰুদ্ধে এখন শক্তিশালী যুঁজ দি আহিছে বুলি উল্লেখ কৰে।

ooooooooo

দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতিৰে মহৰম পালন কৰা হৈছে। কাৰবালাত সত্য আৰু ন্যায়ৰ বাবে প্ৰাণ আহুতি দিয়া পয়গম্বৰ মহম্মদৰ নাতি হজৰত ইমাম হুছেইন আৰু তেওঁৰ সহযোগীসকলৰ স্মৃতিত এই পৰ্ব পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ দেশতে তাজিয়া উলিওৱা হয়। কাৰবালাৰ শ্বহীদসকলৰ সৰ্বোচ্চ ত্যাগত আলোকপাত কৰি ধৰ্মীয় সভা আৰু মজনিছো আয়োজন কৰা হয়।

দিল্লীৰ জামা মছজিদ, নিজামুদ্দিন, ঔখলা আৰু মেহৰ'লিকে ধৰি বিভিন্ন স্থানত মহৰমৰ শোভাযাত্ৰা উলিওৱা হৈছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এটা বাৰ্তাত কয়, যে মহৰমে হজৰত ইমাম হুছেইনৰ ত্যাগ আৰু বীৰত্ব, সহমৰ্মিতা তথা সত্য আৰু ন্যায়ৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাক সোঁৱৰাই দিয়ে। এই পৱিত্ৰ পৰ্বই সমাজত পাৰস্পৰিক সন্মান আৰু শান্তি সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰাৰ বাবে জনসাধাৰণক অনুপ্ৰাণিত কৰিব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহৰম উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে হজৰত ইমাম হুছেইনৰ ত্যাগে সত্য আৰু ন্যায়ৰ প্ৰতি স্থিতপ্ৰজ্ঞ হৈ থকাৰ ক্ষেত্ৰত জনসাধাৰণক অনুপ্ৰেৰণা যোগাই আহিছে।

ooooooooo

ভাৰতে কালি ৱাশ্বিংটনত অনুষ্ঠিত দ্বিতীয় পেক্স চিলিকা সন্মিলনত ৩৪খন দেশৰ সৈতে কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি শক্তি প্ৰদানৰ বাবে বিশ্বাসযোগ্য আৰু স্থিতিস্থাপক যোগান শৃংখল নিৰ্মাণৰ বাবে আমেৰিকাৰ নেতৃত্বত এটা পদক্ষেপত স্বাক্ষৰ কৰিছে। আমেৰিকা অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ বিদেশ সচিব জেকব হেলবাৰ্গে কয়, যে এই সন্মিলনত অংশগ্ৰহণ কৰা দেশসমূহে কৃত্ৰিম বুদ্ধিমত্তা যুগৰ সামৰ্থ্য বৃদ্ধিৰ পক্ষপাতি তথা ইয়াৰ নিয়ন্ত্ৰণৰ পদ্ধতিৰ বাবে একত্ৰিত হৈছিল। সংবাদ মাধ্যমৰ আগত শ্ৰীহেলবাৰ্গে কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ সৈতে সহযোগিতা আৰু অধিক সুদৃঢ় কৰিবলৈ উৎসাহী হৈ আছে। তেওঁ এই সহযোগিতাক একবিংশ শতিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সহযোগিতা বুলি অভিহিত কৰে। তেওঁ কয় যে ভাৰতৰ সৈতে দ্বিপাক্ষিক বিনিময়ৰ মূল বিষয়সমূহ আলোচনা কৰা হৈছে। ইয়াৰ ভিতৰত কোৱাড আৰু ট্ৰাষ্ট পদক্ষেপ অন্যতম। এই সন্মিলনত ভাৰতৰ ইলেকট্ৰনিকছ আৰু তথ্যপ্ৰযুক্তিৰ সচিব এছ কৃষ্ণণে অংশগ্ৰহণ কৰে। ভাৰতৰ প্ৰতিনিধিগৰাকীয়ে অৰ্ধপৰিবাহী, কৃত্ৰিম বুদ্ধিমত্তা, স্থিতিস্থাপক প্ৰযুক্তি, যোগান শৃংখলক সহযোগিতা আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ঔদ্যোগিক নেতাসকলৰ সৈতে আলোচনা কৰে। এই

সন্মিলনত আৰ্জেণ্টিনা, চিলি, কষ্টাৰিকা, জাৰ্মানী, গ্ৰীচ, কাজাকস্তান, নেডালেণ্ডছ, পানামা আৰু ইউৰোপীয় সংঘৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰে।

০০০০০০০০০

ভাৰতত থকা জাৰ্মানীৰ ৰাষ্ট্ৰদূত ফিলিপ একাৰমেনে কয়, যে নৱীকৰণযোগ্য শক্তিত ভাৰত গোলকীয় নেতা হিচাপে উদ্ভাসিত হৈ উঠিছে। এটা সংবাদ সংস্থাৰ সৈতে হোৱা কথা বতৰাত তেওঁ ভাৰত আৰু জাৰ্মানীৰ মাজত সেউজ আৰু বহনক্ষম বিকাশৰ অংশীদাৰিত্বৰ সফলতাৰ কথা উল্লেখ কৰে। তেওঁ লগতে বাণিজ্য, ৰাজনীতি আৰু কৌশলগত খণ্ডত দুয়োখন দেশৰ সহযোগিতাৰ কথাও উল্লেখ কৰে। বহু প্ৰত্যাশিত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ মুক্ত বাণিজ্য চুক্তিৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰদূতগৰাকীয়ে এই ক্ষেত্ৰত এটা ক্ষিপ্ৰ সমাধানৰ আশা প্ৰকাশ কৰে। তেওঁ কয়, যে মুক্ত বাণিজ্য চুক্তি সম্পাদনে এটা ব্যাপক পট পৰিৱৰ্তন কৰিব, যিয়ে জাৰ্মানীৰ ব্যৱসায়িসকলক ভাৰতত অধিক বিনিয়োগ কৰিবলৈ উৎসাহিত কৰিব। ৰাষ্ট্ৰদূতগৰাকীয়ে জাৰ্মানীত ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ কথা উল্লেখ কৰি তেওঁ ইয়াক দ্বিপাক্ষিক বন্ধুত্বৰ মূল আধাৰ বুলি অভিহিত কৰে। তেওঁ কয়, যে প্ৰায় ৬০ হাজাৰ ভাৰতৰ ছাত্ৰ-ছাত্ৰীয়ে জাৰ্মানীত অধ্যয়ন কৰি আছে আৰু এই ভাৰতীয় লোকসকলে দুয়োখন দেশৰ মাজত জনসাধাৰণৰ সম্পৰ্ক আৰু শক্তিশালী কৰিব বুলি আস্থা প্ৰকাশ কৰে।

০০০০০০০০০

উত্তৰ প্ৰদেশ আৰক্ষীয়ে শ্ৰী ৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ ন্যাসৰ দান কাৰ্যৰ সৈতে জড়িত গোচৰ সন্দৰ্ভত দাখিল কৰা প্ৰথমখন এজাহাৰত উল্লেখিত ৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নিৰ্দেশ অনুসৰি গঠন কৰা বিশেষ তদন্ত গোটৰ পৰামৰ্শ অনুসৰি এই এজাহাৰ দাখিল কৰা হৈছিল।ন্যাসৰ সদস্য কৃষ্ণ মোহনে  শ্ৰী ৰাম জন্মভূমি আৰক্ষী থানাত দাখিল কৰা লিখিত অভিযোগৰ ভিত্তিত গোচৰ ৰুজু কৰা হৈছিল। এজাহাৰত অবিনাশ শুক্লা, অনুকল্প মিশ্ৰ, লৱকুশ মিশ্ৰ, মণিষ কুমাৰ যাদৱ, কৰুণেশ পাণ্ডে, ৰামশংকৰ মিশ্ৰ, সুভাষ শ্ৰীবাস্তৱ আৰু শ্ৰীৰামশংকৰ যাদৱকে ধৰি আন কেইবাগৰাকী অচিনাক্ত অভিযুক্তৰ নাম উল্লেখ কৰা হৈছে। বিশেষ তদন্ত গোটৰ মুৰববীয়ে যোৱা মঙলবাৰে প্ৰাৰম্ভিক প্ৰতিবেদন দাখিল কৰাৰ পাছত কালি গোচৰ ৰুজু কৰা হয়। ন্যাসে লাভ কৰা দান আৰু প্ৰণামী চুৰিৰ অভিযোগৰ পাছতে এই ঘটনা পোহৰলৈ আহে। ন্যাসে এই সংক্ৰান্তত বিশেষ তদন্তৰ বাবে কৰা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে বিশেষ তদন্ত গোট গঠনৰ নিৰ্দেশ দিয়ে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৫ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৰছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

ভাৰত আৰু আয়াৰলেণ্ডৰ মাজৰ দুখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বেলফাষ্টত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৬ বজাত আৰম্ভ হ'ব। শ্ৰেয়াছ

আয়াৰ নেতৃত্বাধীন ভাৰতীয় দলটোত বৈভৱ সূৰ্যবংশীকে ধৰি কেইবাগৰাকী যুৱ ক্ৰিকেটাৰক অন্তৰ্ভুক্ত কৰা হৈছে। ১৫ বছৰীয়া বৈভৱ আজি খেলত অৱতীৰ্ণ হ'লে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ভাৰতক প্ৰতিনিধিত্ব কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে পৰিগণিত হ'ব। দুখনীয়া এই শৃংখলাত আয়াৰলেণ্ডক নতুন অধিনায়ক লৰকান টাকাৰে নেতৃত্ব দিব। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল দেওবাৰে অনুষ্ঠিত হ'ব।

ooooooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা ছেন ফ্ৰান্সিছক' বে'এৰিয়া ষ্টেডিয়ামত অনুষ্ঠিত অষ্ট্ৰেলিয়া আৰু পেৰাগুৱেৰ মাজৰ গ্ৰুপ ডি-ৰ খেলখন গ'ল শূন্যভাৱে ড্ৰ' হোৱাৰ পাছত অষ্ট্ৰেলিয়াই নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। একেটা গ্ৰুপৰে আন এখন খেলত আজি পুৱা তুৰস্কই আমেৰিকাক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ইপিনে, প্ৰতিযোগিতাৰ আন এখন খেলত টিউনিচিয়াক ৩-১ গ'লত পৰাস্ত কৰা নেডাৰলেণ্ডছ নকআউট পৰ্যায়ত মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি পুৱা ডালাছ অনুষ্ঠিত জাপান আৰু ছুইডেনৰ মাজৰ গ্ৰুপ এফ-ৰ খেলখন ১-১ গ'লত ড্ৰ' হোৱাত দুয়োটা দল নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। নকআউটত জাপান ব্ৰাজিলৰ সন্মুখীন হ'ব। ফিলাডেলফিয়াত অনুষ্ঠিত আন এখন খেলত আইভৰী ক'ষ্টে আজি কুৰাচাওক ২-০ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ নকআউট পৰ্যায়ত প্ৰৱেশ কৰে।

ooooooooo

সমাপ্ত